# অৰ্থনৈতিক ভূগােল : বিষয়বস্তু আৰু সম্পদ

**দ্বিতীয় খণ্ড (Geography)**

**১। অৰ্থনৈতিক ভূগােল কাক বােলে ? ইয়াৰ মূল বিষয়বস্তু কি ? অৰ্থনৈতিক ভূগােলৰ প্ৰধান শাখাবােৰ উল্লেখ কৰা ।**

**উত্তৰঃ** ভূগােলৰ যিটো শাখাত সম্পদৰ উৎপাদন , বিতৰণ , উপভােগ আৰু বিনিময়ৰ সৈতে জড়িত মানুহৰ কাৰ্যকলাপ স্থান আৰু কাল সাপেক্ষে অধ্যয়ন কৰা হয় , তাকে অৰ্থনৈতিক ভূগােল বােলে ।

অৰ্থনৈতিক ভূগােলৰ মূল বিষয়বস্তু হ'ল মানুহৰ অৰ্থনৈতিক কাৰ্যকলাপ । ইয়াৰ অন্তৰ্গত তলত দিয়া কেইটা সাঙুৰি লােৱা **হৈছেঃ-** ( ক ) সম্পদৰ উৎপাদন ( খ ) সম্পদৰ বিতৰণ ( গ ) সম্পদৰ উপভােগ ( ঘ ) সম্পদৰ বিনিময় ।

সম্পদ অবিহনে মানুহৰ এই অৰ্থনৈতিক কাৰ্যকলাপবােৰৰ কোনােটোৱেই সম্পাদন কৰিব নােৱাৰি ।গতিকে, সম্পদৰ প্ৰাচুৰ্যতা , ইয়াৰ উন্নয়ন আৰু ব্যৱহাৰ অৰ্থনৈতিক ভূগােল প্ৰধান বিষয়বস্তু । অৰ্থনৈতিক ভূগােল প্ৰধান **শাখাবােৰ হ'ল :-** ( ক ) কৃষি ভূগােল ( খ ) ঔদ্যোগিক ভূগােল ( গ ) সম্পদ ভূগে ( ঘ ) পৰিবহণ ভূগােল ( ঙ ) বজাৰ ভূগােল আৰু ( চ ) পৰ্যটন ভূগােল ।

**২। অৰ্থনৈতিক ভূগােলৰ পৰিসৰ সম্পৰ্কে চমুকৈ লিখা ।**

**উত্তৰঃ** অৰ্থনৈতিক ভূগােলত প্ৰধানকৈ সম্পদসমূহ আৰু ইয়াৰ সৈতে জড়িত মানুহৰ বিভিন্ন অৰ্থনৈতিক কাৰ্যকলাপসমূহ অধ্যয়ন কৰা হয় । অৰ্থনৈতিক ভূগােলৰ পৰিসৰ প্ৰধানকৈ দুটা বৃহৎ শাখাৰ অধীনত পাঁচটা বিশেষ প্ৰশ্নৰ ওপৰত প্ৰতিষ্ঠিত সেইবোৰ **হ'ল-**

( ক ) পৰম্পৰাগত অৰ্থনৈতিক ভূগােল :-

( i ) অৰ্থনৈতিক কাৰ্যটো ক'ত অৱস্থিত ?

( ii) অৰ্থনৈতিক কাৰ্যটোৰ বৈশিষ্ট্যসমূহ কি কি ?

(iii) অৰ্থনৈতিক কাৰ্যটো অন্য কি কি পৰিঘটনাৰ সৈতে জড়িত ?

( খ ) আধুনিক অর্থনৈতিক ভূগাোল :-

( i ) অর্থনৈতিক কার্যটো য'ত অৱস্থিত তাতে কিয় হৈছে ?

( ii ) অর্থনৈতিক কার্যটো য'ত অৱস্থিত তাৰ পৰিৱৰ্তে আন ঠাইত হলে বেছি ভাল নহ'লহেঁতেন নে ? অর্থনৈতিক ভূগাোলৰ পৰিসৰৰ অন্তৰ্গত মানুহৰ অর্থনৈতিক কার্যকলাপসমূহক প্ৰধানকৈ চাৰিটা প্ৰকাৰত শ্ৰেণীবিভক্ত কৰিব পাৰি ?

( ক ) **প্ৰাথমিক বৃত্তি :-** যিবাোৰ কার্যৰ দ্বাৰা মানুহে প্ৰকৃতিৰ পৰা প্ৰাকৃতিক সম্পদ আহৰণ কৰে ।

( খ ) **দ্বিতীয়ক বৃত্তি :-** যি কার্যৰ দ্বাৰা মানুহে প্ৰাকৃতিক সম্পদসমূহক মানুহৰ ব্যৱহাৰাোপযাোগী ৰূপলৈ ৰূপান্তৰ কৰে ।

( গ ) **তৃতীয় বৃত্তি :-** যিবাোৰ কার্যৰ দ্বাৰা প্ৰাথমিক আৰু দ্বিতীয় বৃত্তিৰ দ্বাৰা উৎপাদিত সামগ্ৰীসমূহ উপভাোক্তাৰ ওচৰ পায় ।

( ঘ ) **চতুৰ্থক বৃত্তি :-** যিবাোৰ কার্যৰ দ্বাৰা দ্বিতীয়ক আৰু তৃতীয়ক বৃত্তিসমূহ অধিক সুচল আৰু ফলপ্ৰসূ কৰি তাোলা হয় ।

**৩। মানুহৰ অর্থনৈতিক বৃত্তি বুলিলে কি বুজা ? এনে অর্থনৈতিক বৃত্তিবাোৰ কি কি ?**

**উত্তৰঃ** মানুহৰ অর্থনৈতিক কার্যকলাপ বা বৃত্তি মানে হ'ল পৃথিৱীত জীৱন নিৰ্বাহ কৰাৰ উদ্দেশ্যৰে মানুহে প্ৰয়াোজনীয় উপাদানসমূহ আহৰণ কৰিবলৈ সম্পাদন কৰা বিভিন্ন কার্যকলাপসমূহ । মানুহৰ বিভিন্ন অর্থনৈতিক কার্যকলাপ বা বৃত্তিসমূহ **হৈছে :-**

( i ) **প্ৰাথমিক বৃত্তি :-** যি কার্যৰ দ্বাৰা মানুহে প্ৰকৃতিৰ পৰা পাোনপটীয়াকৈ খাদ্য , বাসস্থান , পিন্ধন – উকা আদিৰ বাবে প্ৰয়াোজনীয় সামগ্ৰী আহৰণ কৰে তাকে প্ৰাথমিক বৃত্তি বাোলে ।

**যেনেঃ-** কৃষি কার্য , অৰণ্যৰ পৰা খাদ্য সামগ্ৰীৰ আহৰণ , খনিজ সম্পদ আহৰণ , মাছমৰা কার্য আদি ।

( ii ) **দ্বিতীয় বৃত্তি :-** যি কার্যৰ দ্বাৰা মানুহে প্ৰাথমিক কার্যৰ দ্বাৰা আহৰণ কৰা কেঁচামালসমূহক বিভিন্ন প্ৰযুক্তিৰ জৰিয়তে একব্যৱহাৰাোপযাোগী সামগ্ৰীলৈ পৰিৱৰ্তন

কৰে তাকে দ্বিতীয়ক বৃত্তি বোলে। **যেনে :-** শিল্পোৎপাদন , নিৰ্মাণ তথা পুনৰ নিৰ্মাণ কাৰ্য আদি ।

( iii ) **তৃতীয় বৃত্তি :-** যি কাৰ্যৰ দ্বাৰা মানুহে প্ৰাথমিক আৰু দ্বিতীয় বৃত্তিৰ জৰিয়তে উৎপাদিত সামগ্ৰীসমূহ ব্যৱহাৰকাৰীক যোগায় আৰু উৎপাদক আৰু উপভোক্তাৰ মাজত সম্পৰ্ক স্থাপন হয় তাকে তৃতীয়ক বৃত্তি বোলে ।

**যেনে :-** পৰিবহণ , যোগাযোগ , বজাৰ , পাইকাৰী বা খুচুৰা বিক্ৰী , পৰ্যটন কাৰ্য আদি ।

( iv ) **চতুৰ্থক বৃত্তি :-** নিৰ্দিষ্ট দক্ষতা , বুদ্ধিমত্তা , দূৰদৃষ্টিসম্পন্নতা , নৈপুণ্যতা গুণ আদিৰ প্ৰয়োজন হয় । **যেনে :-** বেংক বা অনা বিত্তীয় প্ৰতিষ্ঠান , প্ৰচাৰ মাধ্যম , প্ৰশাসন , শিক্ষা তথা গৱেষণা প্ৰতিষ্ঠান আদি ।

**৪। অৰ্থনৈতিক ভূগোল প্ৰধান শাখাসমূহৰ বিষয়বস্তু সম্পৰ্কে চমুকৈ লিখা ।**

**উত্তৰঃ** অৰ্থনৈতিক ভূগোল প্ৰধান শাখাসমূহৰ বিষয়বস্তু সমূহ **হল :-**

( i ) **কৃষি ভূগোল :-** কৃষি ভূগোলত প্ৰধানকৈ কৃষিকাৰ্যৰ সৈতে জড়িত কাৰকসমূহ , কৃষিৰ প্ৰকাৰ , কৃষি বিতৰণ , কৃষি পদ্ধতি , শস্যৰ উৎপাদন তথা ইয়াৰ লগত জড়িত তত্ত্ব , বজাৰ , কৃষি সামগ্ৰীৰ আমদানি-ৰপ্তানি আদিৰ দৰে বিষয়সমূহ অধ্যয়ন কৰা হয় ।

( ii ) **ঔদ্যোগিক ভূগোল :-** ঔদ্যোগিক ভূগোলত উদ্যোগ স্থাপনৰ সৈতে জড়িত কাৰকসমূহৰ লগতে উদ্যোগৰ প্ৰকাৰ , ভৌগোলিক বিতৰণ , ঔদ্যোগিক সামগ্ৰীসমূহৰ উৎপাদন , উদ্যোগসমূহৰ অৱস্থানৰ সৈতে জড়িত তত্ত্ব বা অঞ্চলভুক্তীকৰণ , ঔদ্যোগিক সামগ্ৰীৰ বজাৰ তথা আমদানি-ৰপ্তানি আদিৰ দৰে বিষয়সমূহ অধ্যয়ন কৰা হয় ।

( iii ) **সম্পদ ভূগোল :-** সম্পদ ভূগোলত সম্পদৰ প্ৰকাৰ , সম্পদসমূহৰ আঞ্চলিক বিতৰণ , উদ্ঘাটন তথা উৎপাদনৰ লগতে সম্পদ আৰু উন্নয়নৰ মাজৰ সম্পৰ্ক , সম্পদৰ সংৰক্ষণ তথা ব্যৱস্থাপনা আদি অধ্যয়ন কৰা হয় ।

( iv ) **পৰিবহণ ভূগোল :-** পৰিবহণ ভূগোলত প্ৰধানকৈ পৰিবহণ ব্যৱস্থাৰ প্ৰকাৰ আৰু ইয়াৰ সৈতে জড়িত কাৰকসমূহৰ লগতে সম্পদৰ বিতৰণৰ ক্ষেত্ৰত পৰিবহণৰ ভূমিকা , মানুহৰ অৰ্থনৈতিক কাৰ্যকলাপ তথা যাতায়ত পৰিবহণৰ ভূমিকা আৰুঔদ্যোগিক উন্নয়ন , কৃষি উন্নয়ন আদিৰ দৰে অৰ্থনৈতিক উন্নয়নসমূহৰ বিষয়ে অধ্যয়ন কৰা হয় ।

( v ) **বজাৰ ভূগাে ল :-** বজাৰ ভূগাে লত বজাৰ স্থাপনৰ সৈতে জড়িত কাৰকসমূহৰ লগতে বজাৰসমূহৰ বিতৰণৰ ধৰণ আৰু ইয়াৰ সৈতে জড়িত তত্ত্বসমূহৰ অধ্যয়নক সামৰি লাে ৱা হয় ।

( vi ) **পৰিকল্পনা আৰু উন্নয়ন ভূগাে ল :-** পৰিকল্পনা আৰু উন্নয়ন ভূগাে লত অৰ্থনৈতিক উন্নয়নৰ সৈতে জড়িত কাৰকসমূহৰ লগতে পৰিকল্পনা কৌশল , বহনক্ষম উন্নয়ন , আঞ্চলিক তথা সম্পদভিত্তিক উন্নয়ন প্ৰক্ৰিয়া আদিৰ বিষয়ে অধ্যয়ন কৰা হয় ।

( vii ) **পৰ্যটন ভূগাে ল :-** পৰ্যটন ভূগাে লত পৰ্যটনৰ সৈতে জড়িত কাৰকসমূহৰ লগতে পৰ্যটনৰ প্ৰকাৰ , পৰ্যটন ব্যৱস্থাৰ বিকাশ আৰু পৰিকল্পনা প্ৰক্ৰিয়া আদিৰ বিষয়ে অধ্যয়ন কৰা হয় ।

**৫। সম্পদ ভূগাে লক কিয় অৰ্থনৈতিক ভূগাে ল এটি গুৰুত্বপূৰ্ণ শাখা বাে লা হয় ?**

**উত্তৰঃ** দেশ এখনত উপলব্ধ সম্পদৰ গুণাগুণ , সম্পদৰ পৰিমাণ আৰু সঠিক ব্যৱহাৰৰ সৈতে দেশখনৰ অৰ্থনৈতিক উন্নয়ন জড়িত হৈ থাকে । আনহাতে , অৰ্থনৈতিক ভূগাে ল আৰু ইয়াৰ বিভিন্ন শাখা আৰু উপশাখাবাে ৰৰ অধ্যয়ন সম্পদ ভূগাে ল সৈতে পাে নপটীয়াকৈ জড়িত । সেয়ে , সম্পদ ভূগাে লক অৰ্থনৈতিক ভূগাে লৰ এটি গুৰুত্বপূৰ্ণ শাখা বাে লা হয় ।

**৬। সম্পদ বুলিলে কি বুজায় ? ইয়াৰ প্ৰধান বৈশিষ্ট্যসমূহ উল্লেখ কৰা ।**

**উত্তৰঃ** সকলাে জীৱ আৰু পৰিস্থিতিতন্ত্ৰৰ কাৰ্যাৱলী সম্পন্ন কৰিবলৈ প্ৰয়াে জনীয় সম্পত্তিৰ উৎস , ৰাজহ , যাে গান বা সহায়ক সম্পদ বাে লে । অন্যাৰ্থত মানুহৰ বিভিন্ন চাহিদা পূৰণ কৰা বস্তুবাে ৰকে সম্পদ বাে লে । এই সম্পদবাে ৰক দেশ এখনৰ উমৈহতীয়া অৱলম্বন হিচাপে সংজ্ঞাবদ্ধ কৰা হয় ।

প্ৰকৃতিত উপলব্ধ বায়ু , পানী , সূৰ্যৰ ৰশ্মি , মাটি , গছ – গছনি , খনিজ পদাৰ্থ , মাছ আদি উপাদানবাে ৰক সম্পদ বুলি গণ্য কৰা হয় ; কিয়নাে এইবাে ৰে পৃথিৱীক মানুহৰ বাসাে পযাে গী কৰি তাে লাৰ ক্ষেত্ৰত বিভিন্ন প্ৰকাৰে সহায় কৰে ।

প্ৰখ্যাত অৰ্থনীতিবিদ জিম্মাৰমানৰ মতে সম্পদৰ মূল **বৈশিষ্ট্যসমূহ হৈছেঃ-**

( ক ) **উপকাৰিতা :-** সম্পদৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বৈশিষ্ট্যটো হ'ল যে ই বিভিন্ন ধৰণে মানুহৰ বাবে উপযাে গী হাে ৱা উচিত । মানুহৰ জীৱন ধাৰণৰ বাবে প্ৰয়াে জনীয়

কিছুমান চৰ্ত পূৰাব পাৰিব লাগিব । সম্পদে মানুহৰ কিছুমান  অৰ্থনৈতিক কাৰ্য যেনেঃ বিভিন্ন দ্ৰব্যৰ উৎপাদন , বিতৰণ আৰু উপভাোগত সেৱা আগবঢ়ায় ।

( খ ) **কাৰ্যকাৰিতা :-** সকলাো সম্পদৰে নিৰ্দিষ্ট কাৰ্যকাৰিতা আছে অৰ্থাৎ এইবাোৰ নিৰ্দিষ্ট কাৰ্যক্ষমতাসম্পন্ন বা উপযাোগিতাসম্পন্ন হাোৱা বাঞ্চনীয় । উদাহৰণস্বৰূপে , বিভিন্ন উদ্যোগৰ বাবে খনিজ সম্পদৰ প্ৰয়াোজন ।

শস্যই মানৱ জীৱন – নিৰ্বাহ কায় , বননিয়ে মানুহে নিশাহত এৰি দিয়া কাৰ্বন ডাই – অক্সাইড শোষণ কৰাৰ লগতে কাঠ , পশুখাদ্য , জীৱ – জন্তুৰ বাসস্থান আদিৰ যাোগান ধৰে।এনেকৈয়ে প্ৰত্যেক সম্পদৰ এক নিজস্ব কাৰ্যকাৰিতা আছে ।

**৭। “ সম্পদ পৰিৱৰ্তনশীল ” -ব্যাখ্যা কৰা ।**

**উত্তৰঃ** সম্পদৰ এটা বৈশিষ্ট্য হ’ল ইয়াৰ পৰিৱৰ্তনশীল দিশটো কেতিয়াবা প্ৰকৃতিত পাোৱা কোনাো এটা সামগ্ৰী বৰ্তমান উপকাৰী নহ’লেও পিছলৈ উপকাৰী সামগ্ৰী হ’ব পাৰে আৰু সম্পদলৈ পৰিৱৰ্তন হ’ব পাৰে ।

এনেধৰণৰ বস্তুক নিষ্ক্ৰিয় সামগ্ৰী বাোলা হয় । উদাহৰণস্বৰূপে , সাগৰৰ পানী বৰ্তমান অধিক ব্যৱহাৰ নহয় কিন্তু আশা কৰা হয় যে ইয়াৰ পৰা মানুহৰ বাবে উপযাোগী বস্তু তৈয়াৰ কৰিব পৰা হ’ব । তেনেদৰে বৰ্তমান ব্যৱহাৰ হৈ থকা বস্তু এটা তেনেধৰণৰ একে বস্তুৰ আবিষ্কাৰ হ’লে ব্যৱহাৰ হৈ থকা বস্তুটো ব্যৱহাৰহীন হৈ যাব পাৰে ।

খনিজ তেল বৰ্তমানে অত্যধিক ব্যৱহৃত হাোৱা সম্পদ আৰু ইয়াৰ অবিহনে দেশ এখনৰ অৰ্থনৈতিক উন্নয়ন অসম্ভৱ । কিন্তু অদূৰ ভৱিষ্যতে কম খৰচী আৰু সহজলভ্য বিকল্প দ্ৰব্যৰ উদ্ভাৱনে ইয়াক অব্যৱহৃত সামগ্ৰীলৈ পৰিৱৰ্তন কৰিব পাৰে । গতিকে , সম্পদৰ উপকাৰিতা সাময়িক , ইয়াৰ সময় সাপেক্ষে পৰিৱৰ্তন হ’ব পাৰে ।

মানুহৰ বাবে হানিকাৰক বা অপকাৰী দ্ৰব্যক প্ৰতিৰোধক বাোলে । উদাহৰণস্বৰূপে , দামাোদৰ নদীৰ বানপানীয়ে মানুহৰ জীৱন আৰু সম্পত্তিৰ বিস্তৰ ক্ষতিসাধন কৰিছিল । কিন্তু যেতিয়া এই পানীবান্ধ দি বাধা দিয়া হয় , তেতিয়া ই অতি উপকাৰী হৈ । পৰে আৰু মানুহৰ বসতি আৰু কৃষিত সহায়ক হয় । এনেদৰে এবিধ প্ৰতিৰোধক সম্পদলৈ পৰিৱৰ্তন হ’ব পাৰে ।

গতিকে , এই প্ৰসংগত আমি ক’ব পাৰোঁ যে ‘সম্পদ পৰিৱৰ্তনশীল’ ।

**৮। সম্পদৰ প্ৰয়াোজনীয়তা সম্পৰ্কে উদাহৰণসহ চমুকৈ আলাোচনা কৰা ।**

**উত্তৰঃ** সম্পদে মানুহক বিভিন্ন ধৰণে সহায় কৰে। সম্পদৰ কিছুমান প্ৰয়োজনীয়তা তলত উল্লেখ কৰা **হলঃ-**

( ক ) **জীৱন ধাৰণৰ অৱস্থাৰ উন্নয়ন :-** সম্পদৰ প্ৰাচুৰ্যতাই মানুহৰ মৌলিক প্ৰয়োজন অন্ন , বস্ত্ৰ আৰু বাসস্থানৰ প্ৰয়োজন পূৰণ কৰাৰ উপৰিও মানুহৰ অন্যান্য প্ৰয়োজনবোৰো পূৰণ কৰে। ই জীৱন – ধাৰণৰ মানদণ্ডৰ উন্নয়ন কৰে।

**উদাহৰণস্বৰূপে** , ধান , ঘেঁহু আদি কৃষিদ্ৰব্য মানুহৰ খাদ্যদ্ৰব্য হিচাপে ব্যৱহৃত হোৱাৰ উপৰিও এইবোৰে জীৱিকা উপাৰ্জনত সহায় কৰে।

( খ ) **আৰ্থ – সামাজিক উন্নয়ন :-** প্ৰয়োজনীয় সম্পদ অবিহনে কোনো এখন দেশেই অগ্ৰগতি কৰিব নোৱাৰে। উদ্যোগ , কৃষি , বেপাৰ – বাণিজ্যৰ বাবে খনিজ সম্পদ , কৃষিদ্ৰব্য , বনজ দ্ৰব্য , মানৱ সম্পদ আদিৰ প্ৰয়োজন। বহু দেশৰ অনগ্ৰসৰতাৰ কাৰণ হ'ল প্ৰয়োজনীয় পৰিমাণৰ সম্পদৰ অভাৱ।

গতিকে , দেশ এখনৰ আৰ্থ – সামাজিক উন্নয়ন সম্পদৰ প্ৰাচুৰ্যতাৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰশীল।

( গ ) **মানব কল্যাণ :-** মানৱ সমাজৰ বিকাশ সম্পদ আৰু ইয়াৰ সঠিক ব্যৱহাৰৰ ওপৰত পোনপটীয়াকৈ নিৰ্ভৰশীল। সম্পদে মানুহৰ জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় অভাৱবোৰ পূৰণ কৰে।

**৯। সম্পদ আৰু মানুহৰ মাজত থকা সম্পৰ্কৰ বিষয়ে চমুকৈ লিখা।**

**উত্তৰঃ** সম্পদ আৰু মানুহৰ মাজত এক নিবিড় সম্পৰ্ক আছে। এটাৰ অবিহনে আনটো বৰ্তি থাকিব নোৱাৰে বা বিকাশ সাধন কৰিব নোৱাৰে। সম্পদৰ সৈতে মানুহ তিনি ধৰণে জড়িত :

( ক ) **সম্পদৰ উৎপাদক হিচাপে :-** মানুহেই সম্পদৰ অন্তিম উৎপাদক। মানুহৰ বাবে প্ৰয়োজনীয় অধিক সংখ্যক সম্পদ প্ৰকৃতিত পোৱা যায় যদিও তাৰে বেছিভাগ কেঁচা সামগ্ৰীৰ ৰূপত বা ব্যৱহাৰ অনুপযুক্ত অৱস্থাত পোৱা যায়। এনেবোৰ সম্পদ মানুহে প্ৰয়োজন অনুসৰি ৰূপান্তৰ কৰি ব্যৱহাৰোপযোগী কৰি লয়।

খনিজ সম্পদ বনজ সম্পদ , জল সম্পদ , কৃষি সম্পদ আদি মানুহৰ সক্ৰিয় ভূমিকাৰ অবিহনে বিকশিত কৰা সম্ভৱ নহয়। গতিকে মানুহ সকলো সম্পদৰ প্ৰধান ৰূপান্তৰক।

উদাহৰণস্বৰূপে , মানুহৰ দ্বাৰা উৎপাদিত সম্পদবোৰ হ'ল প্ৰযুক্তিবিদ্যা , ঘৰ , ৰাস্তা , উদ্যোগ , বিদ্যালয় , কাৰ্যালয় , যান-বাহন আদি ।

( খ ) **সম্পদ উপভোগকাৰী হিচাপে :-** মানুহ সম্পদৰ উপভোক্তা । মানুহে খাদ্যশস্য , কাপোৰ , খনিজ তেল আৰু বিভিন্ন ধৰণৰ মানৱ – সৃষ্ট সামগ্ৰীবোৰ উপভোগ বা ব্যৱহাৰ কৰে । পানী , বায়ু , খাদ্য , বস্ত্ৰ , বাসস্থান আদি প্ৰয়োজনীয় সম্পদৰ অবিহনে মানুহে স্বাভাৱিক জীৱন – যাপন কৰিব নোৱাৰে ।

গতিকে , পৃথিৱীত জীৱৰ জীৱন – ধাৰণত সম্পদে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে ।

প্ৰাকৃতিক সম্পদ আৰু মানৱ – সৃষ্ট সম্পদবোৰ কেনেদৰে ব্যৱহাৰ বা বিকাশ হ'ব সেয়া নিৰ্ভৰ কৰে মানুহৰ ওপৰত । মানৱ জ্ঞান আৰু ইয়াৰ প্ৰসাৰৰ ওপৰত সম্পদ উন্নয়ন স্তৰ নিৰ্ভৰশীল । তদুপৰি মানুহৰ চাহিদা আৰু নতুন প্ৰযুক্তিৰ বিকাশৰ ওপৰত সম্পদৰ পৰিৱৰ্তনশীল প্ৰকৃতি নিৰ্ভৰ কৰে ।

**১০। সম্পদ আৰু বিজ্ঞান – প্ৰযুক্তিৰ মাজত থকা সম্পৰ্ক চমুকৈ আলোচনা কৰা ।**

**উত্তৰঃ** সম্পদ আৰু বিজ্ঞান – প্ৰযুক্তিৰ মাজত পাৰস্পৰিক সম্পৰ্ক আছে । এই দুয়োটাৰ মাজৰ পাৰস্পৰিক সম্পৰ্কক তলত উল্লেখ কৰা তথ্যৰ পৰা অনুধাৱন কৰিব **পাৰি :-**


( ক ) **সম্পদৰ আৱিষ্কাৰ :-** প্ৰায় সকলোবোৰ সম্পদৰ আৱিষ্কাৰৰ ক্ষেত্ৰত বিজ্ঞানে আমাক সক্ষম কৰি তুলিছে । বিজ্ঞান আৰু প্ৰযুক্তিৰ অবিহনে বেছিভাগ সম্পদেই লুপ্ত আৰু অজ্ঞাত হৈ থাকিলহেঁতেন । আধুনিক বিজ্ঞান – প্ৰযুক্তিৰ ব্যৱহাৰ অবিহনে বৰ্তমান আমি ব্যৱহাৰ কৰি থকা বহুতো খনিজ সম্পদ ভূ – গৰ্ভত লুপ্ত অৱস্থাত থাকিলহেঁতেন ।

( খ ) **নিষ্ক্ৰিয় সামগ্ৰীৰ ৰূপান্তৰ :-** বিজ্ঞান আৰু প্ৰযুক্তিৰ উন্নয়নৰ বাবে মানুহৰ কৌশল আৰু শ্ৰম ব্যৱহাৰ কৰি পৃথিৱীৰ বহুতো নিষ্ক্ৰিয় সামগ্ৰী আৰু প্ৰতিৰোধকক সম্পদলৈ ৰূপান্তৰিত কৰিব পৰা হৈছে ।

( গ ) **সম্পদৰ উচিত ব্যৱহাৰ :-** বিজ্ঞান আৰু প্ৰযুক্তিয়ে সম্পদৰ সঠিক ব্যৱহাৰত সহায় কৰিছে । বিজ্ঞানী আৰু গৱেষকসকলে পূৰ্বস্থিত সম্পদবোৰৰ ভালেমান নতুন ব্যৱহাৰ উদ্ভাৱন কৰি এই সম্পদসমূহ অধিক উপযোগীকৰি তুলিছে ।

**১১। উদাহৰণসহ সম্পদৰ শ্ৰেণীবিভাজন সম্পৰ্কে লিখা ।**

**উত্তৰঃ**




***সম্পদৰ শ্ৰেণীবিভাজন***

নিম্নেল্লিখিত বৈশিষ্ট্যসমূহৰ ভিত্তিত সম্পদ সমূহৰ শ্ৰেণীবিভাজন ব্যাখ্যা কৰিব **পাৰিঃ-**

( ক ) **সৃষ্টিপ্ৰক্ৰিয়াৰ ভিত্তিত :**

( i ) **প্ৰাকৃতিক সম্পদ :-** প্ৰাকৃতিকভাৱে সৃষ্টি হৈ প্ৰকৃতিত বিয়পি থকা সম্পদবা◌েৰকে প্ৰাকৃতিক সম্পদ বা◌েলে । **যেনে :-** পানী , বায়ু , সূৰ্যৰ ৰশ্মি , মাটি , খনিজ সম্পদ , গছ – গছনি , প্ৰাণী , নদী ইত্যাদি ।

( ii ) **মানব সৃষ্টসম্পদ :-** মানুহে বিজ্ঞান আৰু প্ৰযুক্তি ব্যৱহাৰ কৰি প্ৰাকৃতিক সম্পদৰ পৰা উৎপাদন কৰা বিভিন্ন সম্পদক মানবসৃষ্ট সম্পদ বা◌েলে। **যেনে :-** বাঁহৰ পৰা তৈয়াৰ কৰা কাগজ , কপাহৰ পৰা তৈয়াৰী কাপা◌েৰ , সাংশ্লেষিক বস্ত্ৰ , সাংশ্লেষিক ৰবৰ , ঔষধ , ৰাসায়নিক সাৰ ইত্যাদি ।

( iii ) **মানৱ সম্পদ :-** সম্পদসমূহ উৎপাদনশীলভাৱে তথা দক্ষতাৰে ব্যৱহাৰ কৰিবলৈ সক্ষম হা◌েৱা দেশৰ জনসমষ্টিকে মানসম্পদবুলি কোৱা হয় । দেশ এখনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সম্পদ হৈছে মানৱ সম্পদ ।

( খ ) গঠন বা সংযুতিৰ ভিত্তিত :

( i ) **জীৱীয় সম্পদ :-** জীৱ থকা সম্পদবা◌েৰক জীৱীয় সম্পদ বা◌েলে । **যেনে :-** গছ – গছনি , প্ৰাণী , মাছ , শস্য ইত্যাদি ।

( ii ) **অজীৱীয় সম্পদ :-** জীৱ নথকা সম্পদবা◌েৰক অজীৱীয় সম্পদ বা◌েলে । **যেনে :-** মাটি , শিল , পানী , বায়ু , খনিজ পদাৰ্থ ইত্যাদি ।

( গ ) উপলব্ধতা বা স্থায়িত্বৰ ভিত্তিত :

( i ) **নৱীকৰণযা◌েগ্য সম্পদ :-** যিবা◌েৰ সম্পদ ব্যৱহাৰ কৰি থাকিলে একেবাৰে নিঃশেষ হৈ নাযায় আৰু এইবা◌েৰ পুনঃপুৰ্ণীকৃত প্ৰক্ৰিয়াৰে বাৰে বাৰে ব্যৱহাৰ কৰিব পৰা যায় তেনে সম্পদক নৱীকৰণযা◌েগ্য সম্পদ বা◌েলে । **যেনে :-** সূৰ্যৰ ৰশ্মি , পানী , মাটি ইত্যাদি ।

( ii ) **অনীকৰণযা◌েগ্য সম্পদ :-** যিবা◌েৰ সম্পদ এবাৰ ব্যৱহাৰ কৰিলে নিঃশেষ হৈ যায় আৰু যাক নৱীকৰণ কৰিব নোৱাৰি তেনে সম্পদক অনীকৰণযা◌েগ্য সম্পদ বোলে । **যেনে :-** কয়লা,খিনিজ তেল,প্ৰাকৃতিক গেছ ইত্যাদি ।

( ঘ ) মালিকীস্বত্বৰ ভিত্তিত :

( i ) **ব্যক্তিগত সম্পদ :-** যিবা◌েৰ বস্তু এজন লা◌েকৰ ব্যক্তিগত দখলত থাকে , তাকে ব্যক্তিগত সম্পদ বা◌েলে । **যেনেঃ-** মাটি , ঘৰুৱা সা – সম্পত্তি , ব্যক্তিগত গুণাৱলী যেনেঃ ভাল চৰিত্ৰ , শিক্ষা , বিভিন্ন দক্ষতা আদি ।

( ii ) **জাতীয় সম্পদ :-** যিবা◌েৰ সম্পদ ৰাষ্ট্ৰৰ দায়িত্বত বা অধীনত থাকে তেনে সম্পদক ৰাষ্ট্ৰীয় সম্পদ বা◌েলে । **যেনে :-** পৰিবহণ ব্যৱস্থা , ভূমি , নদী , খনিজ সম্পদ , অৰণ্যৰ জীৱ – জন্তু , কৃষি – শস্য , বিভিন্ন উৎপাদিত সামগ্ৰী , জনসংখ্যা আদি ।

( iii ) **আন্তৰ্জাতিক সম্পদ :-** বিভিন্ন দেশৰ জাতীয় সম্পদ আৰু সমগ্ৰ বিশ্বৰ অধীনত থকা সম্পদক আন্তৰ্জাতিক সম্পদ বা◌েলে । **যেনে :-** মহাসাগৰ , সাগৰ , বায়ুমণ্ডল , অৰণ্য অঞ্চল আদি ।

( ঙ ) বিতৰণৰ ভিত্তিত :

( i ) **চিৰ বিৰাজমান সম্পদ :-** বিশ্বৰ সকলা◌ে স্থানতে উপলভ্য বা বিৰাজমান সম্পদসমূহক চিৰ বিৰাজমান সম্পদ বুলি কোৱা হয় । **যেনে :-** সূৰ্যৰ ৰশ্মি , তাপ , বায়ু , পানী , আকাশ ইত্যাদি ।

( ii ) **স্থানিক সম্পদ :-** বিশ্বৰ নিৰ্দিষ্ট কিছুমান অঞ্চলতহে পা◌েৱা সম্পদসমূহক স্থানিক সম্পদ বুলি কোৱা হয় । **যেনে :-** আকৰিক লা◌ে , পেট্ৰলিয়াম , ইউৰেনিয়াম , কয়লা ইত্যাদি ।

### ১২। প্ৰাকৃতিক সম্পদ বুলিলে কি বুজায় ? উদাহৰণসহ চমুকৈ লিখা ।

**উত্তৰঃ** প্ৰাকৃতিকভাৱে সৃষ্টি হৈ প্ৰকৃতিত বিয়পি থকা সম্পদবাােৰেই হ'ল প্ৰাকৃতিক সম্পদ ই গাােটা , জুলীয়া বা গেছীয় আৰু অধাত্মীয় বা ধাত্ৰীয় অৱস্থাত থাকিব পাৰে । প্ৰাকৃতিক সম্পদসমূহৰ বহুবাােৰেই প্ৰকৃতিত উপলব্ধ হাােৱাৰ দৰেই ব্যৱহাৰ কৰাৰ বিপৰীতে অন্য কিছুমানক বিভিন্ন উদ্যোগত কেঁচা সামগ্ৰী হিচাপে ব্যৱহাৰ কৰা হয় ।

বায়ু , পানী , সূৰ্যৰ ৰশ্মি , ভূমি , খনিজ পদাৰ্থ , প্ৰাকৃতিক গেছ , উদ্ভিদ , জীৱ – জন্তু , নদ – নদী , সাগৰ মহাসাগৰ আদি হৈছে প্ৰাকৃতিক সম্পদৰ উদাহৰণ ।

### ১৩। মানব সৃষ্টসম্পদ কি ? উদাহৰণসহ ইয়াৰ ব্যৱহাৰ সম্পৰ্কে চমুকৈ লিখা ।

**উত্তৰঃ** মানুহে বিজ্ঞান আৰু প্ৰযুক্তি ব্যৱহাৰ কৰি নিজ প্ৰচেষ্টাৰে প্ৰাকৃতিক সম্পদৰ পৰা উৎপাদন কৰা বিভিন্ন সম্পদবাােৰেই হৈছে মানৱ সৃষ্ট সম্পদ । **উদাহৰণস্বৰূপে:-** বাঁহৰ পৰা তৈয়াৰ কৰা কাগজ , কপাহৰ পৰা তৈয়াৰ কৰা কাপাােৰ , খাদ্য সামগ্ৰী , ঔষধ , কাঠৰ আচবাব , – দুৱাৰ , আকৰিকৰ পৰা সাংশ্লেষিত ধাতু আদি হৈছে মানৱ সৃষ্টি সম্পদৰ উদাহৰণ ।

### ১৪। নবীকৰণযাােগ্য আৰু অনৱীকৰণযাােগ্য সম্পদৰ মাজৰ পাৰ্থক্য কি কি ? উদাহৰণসহ চমুকৈ আলাােচনা কৰা ।

**উত্তৰঃ** নৱীকৰণযাােগ্য আৰু অনৱীকৰণযাােগ্য সম্পদৰ মাজৰ পাৰ্থক্যবাােৰ হ'ল

| ক্ৰমিক নং | পাৰ্থক্যৰ ভিত্তি | নৱীকৰণযোগ্য সম্পদ | অনৱীকৰণযোগ্য সম্পদ |
|---|---|---|---|
| (i) | অৰ্থ | ব্যৱহাৰৰ পিছত পুনৰুৎপাদন বা নৱীকৰণ কৰিব পাৰি। | ব্যৱহাৰৰ পিছত পুনৰুৎপাদন বা নৱীকৰণ কৰিব নোৱাৰি। |
| (ii) | স্থায়িত্ব | এই সম্পদবোৰ ব্যৱহাৰৰ পিছত নিঃশেষ হৈ নাযায় বা পুনৰুৎপাদন কৰিব পাৰি। | এই সম্পদবোৰ ক্ৰমশঃ নিঃশেষ হৈ যায় আৰু পুনৰুৎপাদন কৰিব নোৱাৰি। |
| (iii) | উদাহৰণ | বায়ু, সূৰ্যৰ ৰশ্মি, পানী, শস্য ইত্যাদি। | কয়লা, তেল, প্ৰাকৃতিক গেছ, বিভিন্ন খনিজ সম্পদ ইত্যাদি। |

*নবীকৰণযাােগ্য আৰু অনৱীকৰণযাােগ্য সম্পদৰ*

### ১৫। " সম্পদ সংৰক্ষণ " বুলিলে কি বুজায় ? ইয়াৰ প্ৰয়াােজনীয়তা কি ?

**উত্তৰঃ** সম্পদৰ অপচয়মূলক ব্যৱহাৰ আৰু অপব্যৱহাৰ ৰাােধ কৰি সৰ্বাধিক উপযাােগিতা আহৰণৰ উদ্দেশ্যে সম্পদৰ সঞ্চয় আৰু বিচক্ষণ ব্যৱহাৰৰ প্ৰক্ৰিয়াকে

সম্পদৰ সংৰক্ষণ বুলি জনা যায় । সম্পদ সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ কাৰক কেইটা তলত উল্লেখ কৰা হ’ল :

( ক ) **সীমিত সম্পদ :-** প্ৰকৃতিয়ে যোগান ধৰা সম্পদৰ বিতৰণ অসমান আৰু ইয়াৰ যোগান সীমিত । পৃথিৱীৰ কোনো দেশতেই সকলো সম্পদ উপলব্ধ নহয় । সেয়ে দেশখনত উপলব্ধ সম্পদখিনিক সঠিক ব্যৱহাৰ আৰু সংৰক্ষণ কৰিব লাগে । মানুহে বৰ্তমান ব্যৱহাৰ কৰি থকা অধিক সংখ্যক সম্পদেই ক্ষয়শীল বা অনৱীকৰণযোগ্য ।

সেয়ে সীমিত সম্পদবোৰ দীৰ্ঘ দিন ধৰি ব্যৱহাৰোপযোগী কৰি ৰাখিবলৈ হ’লে সেইবোৰ পৰিকল্পিতভাৱে ব্যৱহাৰ কৰিব লাগে ।

( খ ) **বৰ্ধিত জনসংখ্যা :-** জনসংখ্যা বৃদ্ধিৰ লগে লগে বিভিন্ন সম্পদৰ প্ৰয়োজনীয়তাও বাঢ়ি আহিছে । বৰ্ধিত জনসংখ্যাই উপলব্ধ সম্পদ দ্ৰুতগতিত নিঃশেষ কৰে । আমেৰিকা , কানাডা , জাপান , জাৰ্মানী , ইংলেণ্ড আদি দেশৰ জনসংখ্যা কম যদিও অৰ্থনৈতিক উন্নয়নৰ বাবে এনেবোৰ দেশৰ প্ৰাকৃতিক সম্পদৰ ব্যৱহাৰ অতি বেছি ।

আনকি ভাৰত আৰু চীনৰ দৰে উন্নয়নশীল দেশতো কয়লা , তেল , প্ৰাকৃতিক গেছ , কপাৰ , আইৰণ , বক্সাইট আদি খনিজ সম্পদবোৰৰ  ব্যৱহাৰ যথেষ্ট বেছি ।

( গ ) **বিপন্ন প্ৰজাতিৰ সংৰক্ষণ :-** বিভিন্ন সম্পদৰ অনুপযুক্ত ব্যৱহাৰৰ বাবে আৰু পৰিৱেশ প্ৰদূষণৰ বাবে বহুতো উদ্ভিদ আৰু প্ৰাণীৰ প্ৰজাতি বিপন্ন আৰু বিলুপ্ত হৈ পৰিছে । পাৰিৱেশিক নিম্নীকৰণ আৰু বাসস্থান ধ্বংসৰ বাবে বহুত জন্তু যেনে – বাঘ , সিংহ , হাতী , গড় আদিৰ মুঠ সংখ্যা দ্ৰুতগতিত হ্ৰাস পাইছে ।

অসমৰ বহুতো মূল্যবান উদ্ভিদ প্ৰজাতি , যেনে – সৰ্পগন্ধা , ছালকুঁৱৰী , কালমেঘ , অৰ্জুন আদি বিলুপ্তিৰ গৰাহত পৰিছে । তেনেদৰে , সোণালীবান্দৰ , হলৌবান্দৰ , বনৰীয়া মহৈ আদি জন্তুও বিপদাপন্ন হৈ পৰিছে । এনেধৰণৰ জীৱীয় সম্পদ ধ্বংসই জীৱমণ্ডলত কিছুমান নেতিবাচক প্ৰভাৱ পেলাব পাৰে ।

( ঘ ) **প্ৰদূষণ নিয়ন্ত্ৰণ :-** সম্পদৰ নিষ্কাশন আৰু সংসাধনৰ ফলত পৰিৱেশ যথেষ্ট পৰিমাণে প্ৰদূষিত হয় । ৰাসায়নিক দ্ৰব্য , সাৰ , যানবাহন , কীটনাশক আদিৰ ব্যৱহাৰ আৰু তেল , কয়লা , প্ৰাকৃতিক গেছ আদি খনিজ সম্পদবোৰৰ বৰ্ধিত ব্যৱহাৰে অত্যধিক মাত্ৰাত পৰিৱেশ প্ৰদূষিত কৰে , যিটো স্বাস্থ্যৰ বাবে ক্ষতিকাৰক ।

গতিকে , হানিকাৰক প্ৰভাৱ হ্ৰাস কৰিবলৈ পৰিকল্পিতভাৱে সম্পদৰ ব্যৱহাৰ কৰা উচিত ।

**১৬। সম্পদ সংৰক্ষণ পদ্ধতি সম্পৰ্কে চমুকৈ লিখা ।**

**উত্তৰঃ সম্পদ সংৰক্ষণৰ বিভিন্ন পদ্ধতিঃ-**

( ক ) **বিকল্প সম্পদৰ সন্ধান :-** সম্পদৰ বহুল ব্যৱহাৰ হ্ৰাস কৰাৰ এটা উপায় হ'ল সমগুণসম্পন্ন বিকল্প সম্পদৰ উদ্ঘাটন । ইয়াৰ বাবে গভীৰ অধ্যয়ন আৰু গৱেষণাৰ প্ৰয়োজন । বৰ্তমান বহুতো বাণিজ্যিক সামগ্ৰীৰ ভাল বিকল্প সামগ্ৰী আছে ।

উদাহৰণস্বৰূপে , কপাহী সূতাৰ পৰিৱৰ্তে সাংশ্লেষিক আঁহ , পেট্ৰল বা ডিজেলৰ পৰিৱৰ্তে যান-বাহনত বিদ্যুতৰ ব্যৱহাৰ আদি । অনৱীকৰণযোগ্য সম্পদ **যেনেঃ-** কয়লা , তেল , খনিজ সম্পদ আদিৰ অত্যধিক ব্যৱহাৰ কমাবৰ বাবে আমি সৌৰশক্তি , জলবিদ্যুত , জৈৱ গেছ আদিব্যৱহাৰ কৰিব পাৰোঁ ।

( খ ) **পুনৰাৱৰ্তন :-** পুনৰাৱৰ্তন প্ৰক্ৰিয়াৰ জৰিয়তে বৰ্জিত দ্ৰব্যক পুনৰ ব্যৱহাৰযোগ্য কৰি কেঁচা সামগ্ৰীৰ ব্যৱহাৰ হ্ৰাস কৰিব পাৰি । **উদাহৰণস্বৰূপে** ব্যৱহৃত পানী বা কাগজৰ পুনৰাৱৰ্তন ।

( গ ) **অভিযোজন :-** প্ৰয়োজনীয় অধ্যয়ন আৰু গৱেষণাৰ জৰিয়তে উপলব্ধ সম্পদবোৰৰ উন্নত আৰু সাৰ্থক ব্যৱহাৰৰ বাবে বহুতো অভিযোজন প্ৰক্ৰিয়া প্ৰয়োগ কৰিব পাৰি । ই কেঁচা সামগ্ৰীৰ অপব্যৱহাৰ হ্ৰাস কৰে আৰু সম্পদৰ উৎপাদন বঢ়ায় । **উদাহৰণস্বৰূপে** , ৰাসায়নিক সাৰৰ পৰিৱৰ্তে জৈৱ সাৰৰ প্ৰয়োগ ।

( ঘ ) **বৰ্জিত দ্ৰব্য নিয়ন্ত্ৰণ :-** বৰ্জিত দ্ৰব্যবোৰ সঠিকভাৱে সংগ্ৰহ কৰিলে আৰু বৈজ্ঞানিকভাৱে ব্যৱহাৰ কৰিলে ইয়াৰ পৰা বহুতো নতুন সামগ্ৰী পাব পাৰি । **উদাহৰণস্বৰূপে :-** কাৰখানা আৰু নগৰৰ নলা – নৰ্দমাৰ বৰ্জিত পানীক নিৰ্দিষ্ট বৈজ্ঞানিক পদ্ধতিৰে পুনৰ বিশুদ্ধ কৰিব পাৰি ।

( ঙ ) **সংৰক্ষণ সম্পৰ্কীয় জ্ঞানৰ সম্প্ৰসাৰণ :-** জন জাগৰণ , কৰ্মশালা , সম্পদ সংৰক্ষণ ব্যৱস্থাপনা আদিৰ জৰিয়তে দেশ এখনৰ জনসাধাৰণক সম্পদৰ সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ বিষয়ে সচেতন কৰিব পাৰিলে সম্পদ সংৰক্ষণত এক বৃহৎ সাফল্য লাভ কৰিব পৰা যাব ।

( চ ) **সংৰক্ষণ সম্পৰ্কীয় আইনৰ কাৰ্যকৰীকৰণ :-** সম্পদৰ সঠিক সংৰক্ষণৰ বাবে , ইয়াৰ অপব্যৱহাৰ ৰোধ কৰিবলৈ উচিত । চৰকাৰে এই আইনৰ সঠিক কাৰ্যকৰীকৰণ হোৱাটো নিশ্চিত কৰিব লাগিব আৰু আইন ভংগীকাৰীসকলৰ বিৰুদ্ধে বিহীত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব ।

( ছ ) **সম্পদৰ সঠিক মূল্যায়ন :-** যিকোনাে দেশৰ উন্নয়নৰ বাবে সম্পদৰ সঠিক মূল্যায়ন প্ৰয়াােজন। যেতিয়া সংশ্লিষ্ট কতৃপক্ষই উপলব্ধ সম্পদৰ পৰিমাণৰ বিষয়ে জ্ঞাত হ'ব , তেতিয়াহে তেনে সম্পদৰ সঠিক ব্যৱহাৰৰ ক্ষেত্ৰত আঁচনি গ্ৰহণ কৰিব পাৰিব।

( জ ) **সম্পদসমূহৰ ভৱিষ্যত প্ৰয়াােজন নিৰ্ধাৰণ :-** উপলব্ধ সম্পদৰ প্ৰসাৰতা পৰীক্ষা কৰাটোৰেই জৰুৰী নহয় , সমসাময়িকভাৱে এনে সম্পদৰ ভৱিষ্যত প্ৰয়াােজনীয়তাৰ গুৰুত্ব নিৰ্ণয় কৰাটো জৰুৰী যাতে সম্পদৰ ব্যৱহাৰ , সুপৰিকল্পিতভাৱেহয়।

**১৭৷ সম্পদ সংৰক্ষণৰ লগত জড়িত সংস্থা আৰু সেইবাােৰৰ ভূমিকা সম্পৰ্কে চমুকৈ লিখা।**

**উত্তৰঃ** দ্ৰুতজনসংখ্যা বৃদ্ধি , বৰ্তমান মজুত থকা সম্পদসমূহৰ অত্যধিক ব্যৱহাৰ , সম্পদসমূহৰ অবৈজ্ঞানিক ধৰণে কৰা ব্যৱহাৰৰ ফলত হাােৱা বৰ্ধিত পাৰিপাৰ্শ্বিক সমস্যা আদিৰ পৰিণামস্বৰূপে বিশ্বৰ বহুতাে গুৰুত্বপূৰ্ণ সম্পদ নিঃশেষ হ'বলৈ ধৰিছে।

উপযুক্ত পৰ্মািণৰ সম্পদৰ অবিহনে পৃথিৱীত জীৱন যাপন কৰাটো যথেষ্ট কষ্টকৰ হৈ উঠাৰ লগতে কোনাে দেশেই উন্নতি বা প্ৰগতি লাভ কৰিব নাােৱাৰিব।

সেয়েহে , মজুত সম্পদসমূহৰ সংৰক্ষণ কৰাৰ লগতে সম্পদসমূহৰ ব্যৱহাৰৰ ফলত সৃষ্টি হাােৱা পৰিৱেশ প্ৰদূষণ হ্ৰাস কৰাৰ উদ্দেশ্যেৰে বহুতাে ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় সংগঠনৰ প্ৰতিষ্ঠা হৈছে। এইক্ষেত্ৰত বিশেষভাৱে উল্লেখযোগ্য অনুষ্ঠানসমূহ **হৈছেঃ-**

( ক ) **IUCN :-** IUCN – ৰ সম্পূৰ্ণ নামটো হৈছে – International Union for Conservation of Nature ( আন্তঃৰাষ্ট্ৰীয় পৰিৱেশ সংৰক্ষণ সংস্থা )। ১৯৪৮ চনত এই সংস্থাটোৰ গঠন হৈছিল আৰু ই পৃথিৱীত বিৰাজ কৰি থকা সম্পদসমূহৰ সংৰক্ষণৰ ক্ষেত্ৰত প্ৰশংসনীয় ভূমিকা পালন কৰি আহিছে।

UNESCO অৰ্থাৎ ৰাষ্ট্ৰসংঘৰ শৈক্ষিক , বৈজ্ঞানিক আৰু সাংস্কৃতিক সংস্থাৰ প্ৰথম সঞ্চালক প্ৰধান জুলিয়ান হাক্সলে ( ব্ৰিটিছ জীৱবিজ্ঞানী ) -এ ইয়াৰ প্ৰতিষ্ঠা কৰিছিল। এই সংস্থাটোৰ প্ৰধান লক্ষ্য হ'ল গাােলকীয় প্ৰাকৃতিক পৰিৱেশ আৰু প্ৰাকৃতিক সম্পদৰ সংৰক্ষণৰ লগতে জৈৱ – বৈচিত্ৰ্য সম্পৰ্কে অধ্যয়ন তথা গৱেষণা চলাই যাােৱা আৰু উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা।

ই ৰাষ্ট্ৰসংঘৰ নিৰ্দেশনা অনুসৰি কাৰ্য সম্পাদন কৰে । IUCN- এ প্ৰতিষ্ঠা কৰা আন্তৰ্জাতিক সংগঠন দুটা হৈছে বিশ্বব্যাপ্ত প্ৰকৃতি নিধি ( WWF for Nature ) আৰু বিশ্ব সংৰক্ষণ নিৰীক্ষণ কেন্দ্ৰ ।

( খ ) **পৰিৱেশ , বন তথা জলবায়ু পৰিৱৰ্তন মন্ত্ৰণালয় :-** ভাৰতত প্ৰাকৃতিক সম্পদসমূহৰ সংৰক্ষণৰ কাৰ্যসমূহৰ মাজত সমন্বয় ৰক্ষা কৰিবলৈ পৰিৱেশ , বন তথা জলবায়ু পৰিৱৰ্তন মন্ত্ৰণালয় প্ৰতিষ্ঠাকৰা হৈছিল।প্ৰাকৃতিক সম্পদসমূহৰ সংৰক্ষণ তথা পৰিৱেশ সুৰক্ষাৰ সৈতে জড়িত আইনসমূহৰ বাবে এই মন্ত্ৰণালয়টো দায়ৱদ্ধ ।

এই মন্ত্ৰণালয়ৰ অংশ হিচাপে ১৯৮৬ চনত ভাৰতীয় বন গৱেষণা আৰু শিক্ষা সংস্থা নামে এটা স্বতন্ত্ৰ প্ৰতিষ্ঠান স্থাপন কৰা হয় ।

( গ ) **বেচৰকাৰী প্ৰতিষ্ঠানসমূহ :-** ভাৰতত পৰিৱেশ সুৰক্ষাৰ বাবে কাম কৰা কিছুমান বেচৰকাৰী অনুষ্ঠান হ'ল বিজ্ঞান আৰু পৰিৱেশ কেন্দ্ৰ ( চি এছ ই ) , গ্ৰীনপিচ ইণ্ডিয়া , ৱাইল্ড লাইফ ষ্ট্ৰাষ্ট অৱ ইণ্ডিয়া আদি। তদুপৰি , অসমতা ে অসম বিজ্ঞান সমিতি , আৰণ্যক আদিৰ দৰে কেইটামান বেচৰকাৰী সংস্থাই পৰিৱেশ সংৰক্ষণ , জৈৱ – বৈচিত্ৰ্য সংৰক্ষণ আদিৰ বাবে কাম কৰি আছে ।

## ১৮। চমুটোকা লিখা :

**( ক ) সম্পদ :**

**উত্তৰঃ** সকলা ে জীৱ আৰু পৰিস্থিতিতন্ত্ৰৰ কাৰ্যাৱলী সম্পন্ন কৰিবলৈ প্ৰয়া েজনীয় সম্পত্তিৰ উৎস , ৰাজহ , যা েগান বা সহায়ক সম্পদ বা েলে । অন্যাৰ্থত মানুহৰ বিভিন্ন চাহিদা পূৰণ কৰা বস্তুবা েৰকে সম্পদ বা েলে । সম্পদক প্ৰধানকৈ দুটা ভাগত ভাগ কৰা হয় সেইবোৰ **হ'ল-**

১/ প্ৰাকৃতিক সম্পদ । আৰু

২/ মানৱ সৃষ্টি সম্পদ ।

১/ **প্ৰাকৃতিক সম্পদ :-** প্ৰাকৃতিকভাৱে সৃষ্টি হৈ প্ৰকৃতিত বিয়পি থকা সম্পদবা েৰকে প্ৰাকৃতিক সম্পদ বা েলে । **যেনে :-** পানী , বায়ু , সূৰ্যৰ ৰশ্মি , মাটি , খনিজ সম্পদ , গছ – গছনি , প্ৰাণী , নদী ইত্যাদি ।

২/ **মানব সৃষ্টসম্পদ :-** মানুহে বিজ্ঞান আৰু প্ৰযুক্তি ব্যৱহাৰ কৰি প্ৰাকৃতিক সম্পদৰ পৰা উৎপাদন কৰা বিভিন্ন সম্পদক মানবসৃষ্ট সম্পদ বা েলে। **যেনে :-** বাঁহৰ পৰা তৈয়াৰ কৰা কাগজ , কপাহৰ পৰা তৈয়াৰী কাপা েৰ , সাংশ্লেষিক বস্ত্ৰ , সাংশ্লেষিক ৰবৰ , ঔষধ , ৰাসায়নিক সাৰ ইত্যাদি ।

**( খ ) মানৱ সম্পদ :**

**উত্তৰঃ** মানৱ সম্পদ মানে হ’ল শিক্ষা , প্ৰশিক্ষণ , অভিজ্ঞতা আদিৰ জৰিয়তে দেশ এখনৰ অন্যান্য সম্পদসমূহ যথা েপযুক্তভাৱে ব্যৱহাৰৰ বাবে সক্ষম হৈ উঠা দেশৰ জনসমষ্টি । এখন দেশৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সম্পদ হ’ল মানৱ সম্পদ ।

ইউৰা েপ আৰু আমেৰিকাৰ অধিক সংখ্যক দেশ উন্নত হা েৱাৰ প্ৰধান কাৰণ হ’ল ইয়াত হা েৱা মানৱ সম্পদৰ উন্নয়ন । সুশিক্ষা আৰু প্ৰশিক্ষণৰ বাবে এইবা েৰ দেশত মানৱ সম্পদ উন্নত । মানুহেই অন্যান্য সম্পদৰ প্ৰধান চালক । মানুহৰ অবিহনে কোনা ে ধৰণৰ সম্পদ বিকশিত নহয় ।

জাপান , ছুইজাৰলেণ্ড , ছিংগাপুৰ , টাইৱান আদি দেশত উদ্যোগৰ বাবে প্ৰয়া েজনীয় প্ৰাকৃতিক সম্পদ আৰু কেঁচা সামগ্ৰীৰ অভাৱ হা েৱা সত্ত্বেও মানৱ সম্পদত উন্নত হা েৱা বাবে এই দেশবা েৰে অৰ্থনৈতিক জীৱনৰ প্ৰত্যেক দিশত যথেষ্ট উন্নতি সাধন কৰিছে ।

**( গ ) সম্পত্তি :**

**উত্তৰঃ** মানুহৰ প্ৰয়া েজন পূৰাব পৰা আৰু বিনিময় মূল্য থকা সকলা েবা েৰ অৰ্থনৈতিক দ্ৰব্যই হৈছে  সম্পত্তি । সকলা ে সম্পত্তিয়ে সম্পদ কিন্তু সকলা ে সম্পদ সম্পত্তি নহ’বও পাৰে । সম্পত্তিৰ কেইটামান বৈশিষ্ট্য হ’ল-

( i ) মানুহৰ প্ৰয়া েজন পূৰণৰ ক্ষমতা থকা বাবে সম্পদৰ উপকাৰিতা আছে ।

( ii ) সম্পত্তিৰ যা েগান সীমিত ।

( iii ) টকা বা মূল্যৰ জৰিয়তে সম্পত্তি এজনৰ পৰা আন এজনলৈ হস্তান্তৰ কৰিব পাৰি ।সকলা ে সম্পত্তিয়েই সম্পদ । কিন্তু সকলা ে সম্পদেই সম্পত্তি নহয় । উদাহৰণস্বৰূপে , ভূমি , ঘৰ , যন্ত্ৰপাতি আদি সম্পত্তিৰ বজাৰ মূল্য থকা বাবে এইবা েৰক সম্পদ বুলিব পাৰি ।

আনহাতে বায়ু , পানী , শিক্ষা , সামাজিক প্ৰতিষ্ঠান , জনস্বাস্থ্য আদি সম্পত্তি নহয় ; কাৰণ এইবােৰৰ কিছুমান প্ৰকৃতিত প্ৰচুৰ পৰিমাণে পাােৱা যায় , কিছুমানক বিনিময় কৰিব নাােৱাৰি আৰু কিছুমানৰ বজাৰ মূল্য নাই । আকৌ সম্পদ মানৱ কল্যাণৰ বাবেহে ব্যৱহাৰ হয় ; কিন্তু সম্পত্তি উপকাৰী বা অপকাৰী দুই ধৰণৰ হ'ব পাৰে ।

উদাহৰণস্বৰূপে , বিষ , ৰাসায়নিক কীটনাশক , এলক'হল আদি সম্পত্তি যদিও এইবােৰৰ ব্যৱহাৰ মানুহৰ বাবে হানিকাৰক । গতিকে এনেধৰণৰ দ্ৰব্যক সম্পদ বুলিব নাােৱাৰি ।

**( ঘ) নৱীকৰণযাােগ্য সম্পদ :**

**উত্তৰঃ** যিবাােৰ সম্পদ ব্যৱহাৰ কৰি থাকিলে একেবাৰে নিঃশেষ হৈ নাযায় আৰু এইবাােৰ পুনঃপুৰ্ণীকৃত প্ৰক্ৰিয়াৰে বাৰে বাৰে ব্যৱহাৰ কৰিব পৰা যায় তেনে সম্পদক নৱীকৰণযাােগ্য সম্পদ বাােলে । **যেনে :-** সূৰ্যৰ ৰশ্মি , পানী , মাটি ইত্যাদি ।

**( ঙ ) ব্যক্তিগত সম্পদ :**

**উত্তৰঃ** যিবাােৰ বস্তু এজন লাােকৰ ব্যক্তিগত দখলত থাকে , তাকে ব্যক্তিগত সম্পদ বাােলে । **যেনেঃ-** মাটি , ঘৰুৱা সা – সম্পত্তি , ব্যক্তিগত গুণাৱলী **যেনেঃ-** ভাল চৰিত্ৰ , শিক্ষা , বিভিন্ন দক্ষতা আদি ।

**( চ ) জাতীয় সম্পদ :**

**উত্তৰঃ** যিবাােৰ সম্পদ ৰাষ্ট্ৰৰ দায়িত্বত বা অধীনত থাকে তেনে সম্পদক ৰাষ্ট্ৰীয় সম্পদ বাােলে । **যেনে :-** পৰিবহণ ব্যৱস্থা , ভূমি , নদী , খনিজ সম্পদ , অৰণ্যৰ জীৱ – জন্তু , কৃষি – শস্য , বিভিন্ন উৎপাদিত সামগ্ৰী , জনসংখ্যা আদি

( ছ ) **জীৱীয় সম্পদ :**

**উত্তৰঃ** জীৱ থকা সম্পদবাােৰক জীৱীয় সম্পদ বাােলে । **যেনে :-** গছ – গছনি , প্ৰাণী , মাছ , শস্য ইত্যাদি ।

**( জ ) সম্পদ সংৰক্ষণ :**

**উত্তৰঃ** প্ৰাকৃতিক সম্পদৰ গুণগত মানদণ্ড , মূল্য আৰু বিচিত্ৰতাৰ স্থিতাৱস্থা বাহালকৰণেৰে আৰু বৰ্ধিত কৰণেৰে এইবাােৰৰ বিচক্ষণ ব্যৱহাৰৰ বাবে আৰু নিৰৱচ্ছিন্ন

যাোগানৰ নিশ্চয়তাৰ বাবে গ্ৰহণ কৰা পৰিকল্পনা আৰু ব্যৱস্থাপনাকে সম্পদৰ সংৰক্ষণ বুলি কোৱা হয় ।

সম্পদ সংৰক্ষণৰ প্ৰধান উদ্দেশ্য হ'ল প্ৰকৃতিৰ পৰা প্ৰয়াোজনীয় সম্পদবাোৰ এনেধৰণে আহৰণ আৰু ব্যৱহাৰ কৰিব লাগে যাতে ইয়াৰ দ্বাৰা আমি সকলাোৱে বহু সময় ধৰি উপকৃত হওঁ। বহুত খনিজ সম্পদ , উদ্ভিদ আৰু প্ৰাণী.দ্ৰুত হাৰত নিঃশেষ হ'ব ধৰিছে ।

যিহেতু ইয়াৰে বেছিভাগ সম্পদ সৃষ্টি কৰিব নাোৱাৰি বা বৃদ্ধি কৰিব নাোৱাৰি সেয়ে সম্ভৱপৰ উপায় অৱলম্বন কৰি সম্পদসমূহ সংৰক্ষণ কৰাৰ অতীৱ প্ৰয়াোজন । আমি এই সম্পদবাোৰৰ বিকল্প দ্ৰব্য সন্ধান কৰি , পুনঃপুৰ্ণীকৃত প্ৰক্ৰিয়া ব্যৱহাৰ কৰি , পুনৰাৱৰ্তন , অভিযাোজন আদি পদ্ধতি অৱলম্বন কৰি , অপচয় নিয়ন্ত্ৰণ সংক্ৰান্ত আইনসমূহ ৰূপায়িত কৰি এইবাোৰৰ সংৰক্ষণ কৰিব পাৰোঁ ।

**( ঝ ) সম্পদৰ  পুনৰাৱৰ্তন :**

**উত্তৰঃ** সম্পদৰ পুনৰাৱৰ্তন প্ৰক্ৰিয়াৰ জৰিয়তে বৰ্জিত দ্ৰব্যক পুনৰ ব্যৱহাৰযাোগ্য কৰি কেঁচা সামগ্ৰীৰ ব্যৱহাৰ হ্ৰাস কৰিব পাৰি । উদাহৰণস্বৰূপে ব্যৱহৃত পানী বা কাগজৰ পুনৰাৱৰ্তন ।

**( ঞ ) IUCN :**

**উত্তৰঃ** IUCN – ৰ সম্পূৰ্ণ নামটো হৈছে – International Union for Conservation of Nature ( আন্তঃৰাষ্ট্ৰীয় পৰিৱেশ সংৰক্ষণ সংস্থা ) । ১৯৪৮ চনত এই সংস্থাটোৰ গঠন হৈছিল আৰু ই পৃথিৱীত বিৰাজ কৰি থকা সম্পদসমূহৰ সংৰক্ষণৰ ক্ষেত্ৰত প্ৰশংসনীয় ভূমিকা পালন কৰি আহিছে ।

UNESCO অৰ্থাৎ ৰাষ্ট্ৰসংঘৰ শৈক্ষিক , বৈজ্ঞানিক আৰু সাংস্কৃতিক সংস্থাৰ প্ৰথম সঞ্চালক প্ৰধান জুলিয়ান হাক্সলে ( ব্ৰিটিছ জীৱবিজ্ঞানী ) -এ ইয়াৰ প্ৰতিষ্ঠা কৰিছিল । এই সংস্থাটোৰ প্ৰধান লক্ষ্য হ'ল গাোলকীয় প্ৰাকৃতিক পৰিৱেশ আৰু প্ৰাকৃতিক সম্পদৰ সংৰক্ষণৰ লগতে জৈৱ – বৈচিত্ৰ্য সম্পৰ্কে অধ্যয়ন তথা গৱেষণা চলাই যাোৱা আৰু উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা ।

ই ৰাষ্ট্ৰসংঘৰ নিৰ্দেশনা অনুসৰি কাৰ্য সম্পাদন কৰে । IUCN- এ প্ৰতিষ্ঠা কৰা আন্তৰ্জাতিক সংগঠন দুটা হৈছে বিশ্বব্যাপ্ত প্ৰকৃতি নিধি ( WWF for Nature ) আৰু বিশ্ব সংৰক্ষণ নিৰীক্ষণ কেন্দ্ৰ ।

১৯। পাৰ্থক্য লিখা :

( ক ) **সম্পদ আৰু সম্পত্তি ।**

**উত্তৰঃ**

| ক্ৰমিক নং | পাৰ্থক্যৰ ভিত্তি | সম্পদ | সম্পত্তি |
|---|---|---|---|
| (i) | অৰ্থ | সকলো জীৱ আৰু পৰিস্থিতিতন্ত্ৰৰ কাৰ্যাৱলী সম্পন্ন কৰিবলৈ প্ৰয়োজনীয় সম্পত্তি, ৰাজহ, যোগান বা অৱলম্বনৰ উৎস। | বিনিময় মূল্য বা দৰ থকা যিকোনো বস্তু। |
| (ii) | যোগান | কিছুমান সম্পদ যেনেঃ বায়ু, সাগৰ, পানী, সূৰ্যৰ ৰশ্মি আদিৰ যোগান সীমাহীন। | সম্পত্তিৰ যোগান সীমিত। |
| (iii) | বিনিময় | সকলো সম্পদ বিনিময় কৰিব নোৱাৰি আৰু সকলোৰে দৰ নাথাকে। | টকাৰ মাধ্যমেৰে সম্পত্তিৰ বিনিময় বা হস্তান্তৰ কৰিব পাৰি। |
| (iv) | ব্যৱহাৰ | মানুহৰ বাবে সদায় উপযোগী। | মানুহৰ বাবে উপকাৰী বা অপকাৰী দুয়োটাই হ'ব পাৰে। |

( খ ) **অৰ্থনৈতিক ভূগোল আৰু সম্পদ ভূগোল ।**

**উত্তৰঃ**

| ক্ৰমিক নং | পাৰ্থক্যৰ ভিত্তি | অৰ্থনৈতিক ভূগোল | সম্পদ ভূগোল |
|---|---|---|---|
| (i) | অৰ্থ | সম্পদৰ উৎপাদন, বিতৰণ, উপভোগ আৰু বিনিময়ৰ সৈতে জড়িত মানুহৰ কাৰ্যকলাপৰ স্থান আৰু কাল সাপেক্ষে কৰা এই অধ্যয়ন মানৱ ভূগোলৰ শাখা। | সম্পদৰ উৎপাদন, বিতৰণ আৰু উপভোগৰ সৈতে জড়িত অধ্যয়ন। |
| (ii) | পৰিসৰ | সম্পদ ভূগোলতকৈ অৰ্থনৈতিক ভূগোলৰপৰিসৰ বহল। কাৰণ অৰ্থনৈতিক ভূগোলে কৃষি ভূগোল, ঔদ্যোগিক ভূগোল, পৰিবহণ ভূগোল, বজাৰ ভূগোল, সম্পদ ভূগোল আৰু পৰ্যটন ভূগোলক সাঙুৰি লয়। | সম্পদ ভূগোলৰ পৰিসৰ অৰ্থনৈতিক ভূগোলৰ পৰিসৰতকৈ ঠেক। কাৰণ সম্পদ ভূগোল অৰ্থনৈতিক ভূগোলৰ এটা অংশহে মাত্ৰ। |

( গ ) **সম্পদ আৰু নিস্ক্ৰিয় সামগ্ৰী ।**

**উত্তৰঃ**

| ক্ৰমিক নং | পাৰ্থক্যৰ ভিত্তি | সম্পদ | নিষ্ক্ৰিয় সামগ্ৰী |
|---|---|---|---|
| (i) | অৰ্থ | সকলো জীৱ আৰু পৰিস্থিতিতন্ত্ৰৰ কাৰ্যাৱলী সম্পন্ন কৰিবলৈ প্ৰয়োজনীয় ৰাজহ, সম্পত্তি, যোগান বা অৱলম্বনৰ উৎস। | মানুহৰ বাবে কোনোধৰণৰ উপকাৰ বা অপকাৰ সাধন নকৰা পৃথিৱীত উপলব্ধ সামগ্ৰী। |
| (ii) | উপকাৰিতা | সম্পদবোৰ বৰ্তমান সময়ত ব্যৱহাৰযোগ্য। | নিষ্ক্ৰিয় সামগ্ৰীবোৰ ভৱিষ্যতে ব্যৱহাৰ হোৱাৰ সম্ভাৱনা থাকে। |
| (iii) | উদাহৰণ | বায়ু, পানী, মাটি, উদ্ভিদ, খনিজ পদাৰ্থ ইত্যাদি। | সাগৰৰ পানী। |

( ঘ ) **জীৱীয় আৰু অজীৱীয় সম্পদ ।**

**উত্তৰঃ**

| ক্ৰমিক নং | পাৰ্থক্যৰ ভিত্তি | জীৱীয় সম্পদ | অজীৱীয় সম্পদ |
|---|---|---|---|
| (i) | অৰ্থ | প্ৰকৃতিৰ জীৱ থকা সকলোবোৰ সম্পদ। | প্ৰকৃতিৰ জীৱ নথকা সকলোবোৰ সম্পদ। |
| (ii) | উদাহৰণ | গছ-গছনি, পশু-প্ৰাণী, মানুহ, মাছ, শস্য ইত্যাদি। | শিল, বালি, মাটি, খনিজ পদাৰ্থ ইত্যাদি। |

( ঙ ) **নৱীকৰণযোগ্য আৰু অনৱীকৰণযোগ্য সম্পদ ।**

**উত্তৰঃ**

| ক্ৰমিক নং | পাৰ্থক্যৰ ভিত্তি | নৱীকৰণযোগ্য সম্পদ | অনৱীকৰণযোগ্য সম্পদ |
|---|---|---|---|
| (i) | অৰ্থ | ব্যৱহাৰৰ পিছত পুনৰুৎপাদন বা নৱীকৰণ কৰিব পাৰি। | ব্যৱহাৰৰ পিছত পুনৰুৎপাদন বা নৱীকৰণ কৰিব নোৱাৰি। |
| (ii) | স্থায়িত্ব | এই সম্পদবোৰ ব্যৱহাৰৰ পিছত নিঃশেষ হৈ নাযায় বা পুনৰুৎপাদন কৰিব পাৰি। | এই সম্পদবোৰ ক্ৰমশঃ নিঃশেষ হৈ যায় আৰু পুনৰুৎপাদন কৰিব নোৱাৰি। |
| (iii) | উদাহৰণ | বায়ু, সূৰ্যৰ ৰশ্মি, পানী, শস্য ইত্যাদি। | কয়লা, তেল, প্ৰাকৃতিক গেছ, বিভিন্ন খনিজ সম্পদ ইত্যাদি। |

( চ ) **ব্যক্তিগত সম্পদ আৰু জাতীয় সম্পদ ।**

**উত্তৰঃ**

| ক্রমিক নং | পাৰ্থক্যৰ ভিত্তি | ব্যক্তিগত সম্পদ | জাতীয় সম্পদ |
|---|---|---|---|
| (i) | অৰ্থ | এজন ব্যক্তিৰ দখলত বা অধিকাৰত থকা সম্পদ। | এখন দেশৰ দায়িত্বত বা দখলত থকা সম্পদ। |
| (ii) | উদাহৰণ | ভূমি, ঘৰ-দুৱাৰ, সা-সম্পত্তি, অলংকাৰ, টকা-পইচা, আৰু ব্যক্তিগত গুণাৱলী যেনেঃ শিক্ষা, জ্ঞান, কৰ্ম দক্ষতা ইত্যাদি। | উদ্ভিদ, প্ৰাণী, বনাঞ্চল, পৰিবহণ ব্যৱস্থা, ভূমি, নদী, শিক্ষানুষ্ঠান প্ৰশাসনীয় ব্যৱস্থা ইত্যাদি। |

( ছ ) **মাৱসৃষ্ট সম্পদ আৰু মানৱ সম্পদ ।**

**উত্তৰঃ**

| ক্রমিক নং | পাৰ্থক্যৰ ভিত্তি | মানৱ-সৃষ্ট সম্পদ | মানৱ সম্পদ |
|---|---|---|---|
| (i) | মানুহ | মানুহে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগেৰে আৰু নিজস্ব দক্ষতা তথা প্ৰচেষ্টাৰে তৈয়াৰ কৰা সম্পদ। | শিক্ষা, প্ৰশিক্ষণ বা অন্য অৰ্হতা আহৰণেৰে অন্য সম্পদসমূহ দক্ষতাৰে আৰু উৎপাদনশীলতাৰে ব্যৱহাৰ কৰিবলৈ সক্ষম হোৱা এখন দেশৰ লোকসমষ্টি। |
| (ii) | উদাহৰণ | বাঁহৰ পৰা কাগজ, কপাহৰ পৰা কাপোৰ, বিভিন্ন প্ৰকাৰৰ ৰং, ৰাসায়নিক সাৰ, চাবোন, প্লাষ্টিক ইত্যাদি। | মানুহ নিজেই মানৱ সম্পদৰ উদাহৰণ। |

( জ ) **সম্পদৰ পুনৰাৱৰ্তন আৰু অভিযোজন ।**

**উত্তৰঃ**

| ক্রমিক নং | পাৰ্থক্যৰ ভিত্তি | সম্পদৰ পুনৰাবৰ্তন | সম্পদৰ অভিযোজন |
|---|---|---|---|
| (i) | অৰ্থ | প্ৰাকৃতিক আৰু মানৱসৃষ্ট সম্পদবোৰ ব্যৱহাৰৰ পিছত পুনৰ ব্যৱহাৰৰ উপযোগী কৰিব পৰা প্ৰক্ৰিয়া। | প্ৰকৃতিৰ পৰা আহৰণ কৰা সম্পদবোৰ প্ৰচুৰ অধ্যয়ন আৰু গৱেষণাৰ জৰিয়তে অধিক ব্যৱহাৰোপযোগী সম্পদলৈ পৰিৱৰ্তন কৰা প্ৰক্ৰিয়া। |
| (ii) | উদাহৰণ | ব্যৱহৃত পানী,উদ্যোগৰ বৰ্জ্য পদাৰ্থ, লোহাৰ সামগ্ৰী, বৰ্জিত কাগজ ইত্যাদি। | বৰষুণৰ পানী সংৰক্ষণ কৰি বিভিন্ন ঘৰুৱা কামত ব্যৱহাৰ কৰাটো এক প্ৰকাৰৰ অভিযোজন। |

২০। শুদ্ধ উত্তৰটোবাছিউলিওৱা :

( ক ) **তলৰ কোনটো মানবসৃষ্ট সম্পদ ?**

**( ১ ) নদনদী ( ২ ) খনিজ তেল ( ৩ ) জলসিঞ্চন নলা ( ৪ ) অৰণ্য**

**উত্তৰঃ** ( ৩ ) জলসিঞ্চন নলা ।

( খ ) **তলৰ কোনটো অজীৱীয় সম্পদ ?**

**( ১ ) বায়ু ( ২ ) গছ – গছনি  ( ৩ ) জীৱ – জন্তু ( ৪ ) ভেঁকুৰ**

**উত্তৰঃ**  ( ১ ) বায়ু ।

( গ ) **তলৰ কোনটো অনৱীকৰণযাােগ্য সম্পদ ?**

**( ১ ) বায়ু  ( ২ ) পানী ( ৩ ) শস্য ( ৪ ) কয়লা**

**উত্তৰঃ** ( ৪ ) কয়লা ।

( ঘ ) **তলৰ কোনটো বিলুপ্তপ্ৰায় প্ৰাণী ?**

**( ১ ) এশিঙীয়া গঁড় ( ২ ) নল – গাহৰি ( ৩ )জিৰাফ ( ৪ ) মিথুন**

**উত্তৰঃ** ( ২ ) নল – গাহৰি ।

( ঙ ) **IUCN- সংস্থাটি কোন আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ অন্তৰ্গত ?**

**( ১ ) UNESCO ( ২ ) UNDP ( ৩ ) WWF ( 8 ) UNEP**

**উত্তৰঃ** ( ১ ) UNESCO ।